CAREERINDIA

**Sample paper 2021--22**

**CLASS-XII**

**TERM—I**

**SUBJECT—ASSAMESE (114)** **MARKS—40**

**Time: 90 minutes**

**SECTION—A**

১। অনুচ্ছেদটো পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ বাছি উলিয়াই লিখা— (যিকোনো ৪টা) 1x4=4

১। পঢ়ে পঢ়ায় ৰোৱে পাণ, এই তিনিয়ে নিচিন্তে আন

যিকোনো কামত কৃতকাৰ্যতা লাভ কৰিবলৈ হ'লে মনৰ অসীম ধৈৰ্য, অনুশীলন আৰু সাধনাৰ প্ৰয়োজন। প্ৰৱচনটিত থকা পঢ়ে শব্দটিয়ে বিশেষভাৱে ছাত্ৰ-ছাত্ৰীসকলক বুজাইছে। ছাত্ৰ জীৱন জ্ঞান অৰ্জনৰ সময়। ভৱিষ্যতে জীৱনৰ মূল্যবোধ থকা দেশৰ এজন সৎ চৰিত্ৰৱান, সৎ চিন্তাশীল সু-নাগৰিক হোৱাৰ উপৰিও ব্যক্তিগত জীৱনত প্ৰতিষ্ঠা লাভ কৰিবলৈ হ'লে ছাত্ৰ জীৱনতে পাঠ্য-পুথি গভীৰ মনোযোগেৰে অধ্যয়ন কৰাৰ উপৰিও বিভিন্ন বিষয়ৰ কিতাপ-পত্ৰ অধ্যয়ন কৰিব লাগিব। তদুপৰি বিভিন্ন সুকুমাৰ কলা সাধনাৰো অংকুৰ ছাত্ৰ জীৱনতেই বিকশিত হৈ উঠিব লাগিব। সোণৰ শৈশৱ আৰু কিশোৰ বয়সতে অৰ্থাৎ ছাত্ৰাৱস্থাত অদৰকাৰী কামত সময় খৰচ নকৰি জ্ঞানাৰ্জনত নিজকে ব্ৰতী হোৱাৰ কথা প্ৰকাশ কৰিছে।

পঢ়ায় শব্দটিয়ে শিক্ষক সমাজক নিৰ্দেশ কৰিছে। শিক্ষকে ছাত্ৰক শিক্ষা প্ৰদান কৰে। জ্ঞান দান কৰিবৰ বাবে নিজে বিভিন্ন বিষয়ৰ জ্ঞানৰ অধিকাৰী হোৱা অতি প্ৰয়োজন। তদুপৰি পৰিৱৰ্তনশীল পৃথিৱীত প্ৰতিদিনেই নতুন নতুন তথ্যৰ উদ্ভাৱন ঘটিছে। সমাজনীতি, ৰাজনীতি, অৰ্থনীতিৰ বিষয়েও আজিৰ শিক্ষক সচেতন হ'ব লাগিব। অৰ্থাৎ ছাত্ৰক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰি গঢ় দিবলৈ হ'লে শিক্ষকসকলে বিভিন্ন বিষয়ৰ জ্ঞান আৰু অভিজ্ঞতাৰে পৰিপুষ্ট হোৱাটো অতি প্ৰয়োজন। অন্য উপৰুৱা চিন্তা বাদ দি শিক্ষাদান সেৱা আৰু ব্ৰত হিচাপে গ্ৰহণ কৰাটো প্ৰতিজন শিক্ষকৰ লক্ষ্য হোৱা উচিত।

ক) "পঢ়ায় " শব্দটোৱে কাক নিৰ্দেশ কৰিছে—

i)ছাত্ৰক / ii) সমাজক/ iii) শিক্ষকক / iv) পাঠ্য-পুথি

খ) "পঢ়ে" শব্দটোৱে কাক বুজাইছে?

i) পাঠ্যপুথি/ ii) শিক্ষক / iii) ছাত্ৰক / iv) সমাজক

গ) "অংকুৰ" শব্দৰ অৰ্থ লিখা---

i) বীজ / ii) সাহস / iii) সময় / iv) সচেতন

ঘ) বিপৰীত অৰ্থ লিখা—অসীম

i) বিষম / ii) সসীম / iii) কুসম / iv) সুসম

ঙ) সন্ধি ভাঙি দেখুঁওৱা—ছাত্ৰাৱস্থা

i) ছাত্ৰা+ ৱস্থা / ii) ছাত্ৰ + অৱস্থা / iii) ছাত্ৰ +ৱস্থা / iv) ছাত্ৰা +আস্থা

www.careerindia.com

CAREERINDIA

২। অনুচ্ছেদটো পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ বাছি উলিয়াই লিখা— (যিকোনো ৪টা) 1x4=4

অসমীয়া লোক-সাহিত্যৰ আৰম্ভণী হিচাপে প্ৰাচীন লোকগীতবোৰকে ধৰিব পাৰি। অসমীয়া ভাষাৰ লোকগীতবোৰৰ এটা বিশেষত্ব আছে যে, এইবোৰক সাধাৰণতে গীত নুবুলি 'নাম' বোলা হয়। আন কথাত ক'বলৈ গলে, নাম আৰু গীত, এই দুয়োটা বহু সময়ত সমাৰ্থক হৈ এক ধৰণৰ গীতৰ অৰ্থত ব্যৱহাৰ হয়। অসমীয়া লোকগীতবোৰৰ ভিতৰত আছে বিয়ানাম, আইনাম, গোঁসাইনাম, ভেকুলী বিয়াৰ নাম, ধাই নাম আদি। অন্যান্য লোকগীতৰ ভিতৰত ফুলকোঁৱৰ-মণিকোঁৱৰৰ গীত, নাহৰৰ গীত, বদন বৰফুকনৰ গীত, জিকিৰ আৰু জাৰি, দেহ ৱিচাৰ গীত, টোকাৰী গীত, ঐনিতম, মহহো গীত, শান্তি বৰমাহী গীত, বনঘোষা, মণিৰাম দেৱানৰ গীত, জয়মতী কুঁৱৰীৰ গীত আদি উল্লেখযোগ্য। গাঁৱৰ অনাখৰী অথচ কল্পনা শক্তিৰে চহকী কোনো নিনাও ৰচকে ৰচনা কৰা এই লোকগীতসমূহ অসমীয়া সাহিত্যৰ সোণসেৰীয়া মালাধাৰিৰ একোটি যেন উজ্জ্বল পোৱাল মণিহে। এই গীতবোৰৰ ভিতৰত ফুলকোঁৱৰ-মণিকোঁৱৰৰ গীতেই অসমীয়া সাহিত্যৰ আটাইতকৈ প্ৰাচীন কাহিনী গীত। এইবোৰ পুৰুষানুক্ৰমে মুখে মুখে প্ৰচলিত হৈ আহিছে। ইয়াৰ উপৰি কোনো বিশেষ ঘটনাক লৈ ৰচিত বুৰঞ্জীমূলক কাহিনী গীতো প্ৰচলিত আছে। উদাহৰণস্বৰূপে বদন বৰফুকনৰ গীতত মানৰ অসম আক্ৰমণৰ বৰ্ণনা, জয়মতী কুঁৱৰীৰ গীতত স্বামী ভক্তিৰ বিষয়ে জনা যায়। এইসমূহ লোকগীতৰ ৰচনা কাল ষষ্ঠ শতিকাৰ পৰা অষ্টম-নৱম শতিকা বুলি বুৰঞ্জীবিদসকলে অনুমান কৰিছে।

**জন-জীৱনৰ সহোদৰ লোক-সাহিত্য**

অসমীয়া লোক-সাহিত্যৰ আন এবিধ উল্লেখযোগ্য ৰচনা হ'ল প্ৰবচন আৰু ফকৰা-যোজনাসমূহ। অসমীয়া ভাষাত ডাক পুৰুষৰ নামত চলিত বা জড়িত প্ৰবচনসমূহেই আটাইতকৈ প্ৰাচীন এনেধৰণৰ লোক সাহিত্য। ডাকক চতুৰ্থ-ষষ্ঠ শতিকাৰ বৰাহ-মিহিৰৰ সমসাময়িক বুলি ভবা হয় আৰু বৰপেটা অঞ্চলৰ লোহি বা লোহিডঙৰা নামৰ ঠাইত

ক) লোক সঙ্গীতৰ ভিতৰত কোন বিধ গীত নপৰে?

i) আইনাম / ii) বিয়া নাম / iii) বৰগীত / iv) বিহুগীত

খ) ডাকক কাৰ সমসাময়িক বুলি কোৱা হয়?

i) বদন বৰফুকনৰ / ii)মণিৰাম দেৱানৰ / iii) জয়মতীৰ / iv) বৰাহ-মিহিৰৰ

গ) অসমীয়া সাহিত্যৰ আটাইতকৈ প্ৰাচীন কাহিনীগীত হ'ল---

i) বনঘোষা / ii) নাহৰৰ গীত / iii) জয়মতী কুঁৱৰীৰ গীত / iv) ফুল কোঁৱৰ-মণিকোঁৱৰৰ গীত

ঘ) বিপৰীত অৰ্থ লিখা—প্ৰাচীন

i) নতুন / ii) নবীন / iii) অপ্ৰাচীন / iv) আধুনিক

ঙ) ''জিলিঙনি '' শব্দৰ অৰ্থ লিখা—

i) ধুনীয়া / ii) পোহৰ / iii) সুন্দৰতা / iv) দৃশ্য

www.careerindia.com

CAREERINDIA

**SECTION—B**

৩। অ) গল্পটো পঢ়ি তলত দিয়া প্ৰশ্নৰ উত্তৰ লিখা। (যিকোনো চাৰিটা) 1x4=4

### তিনিজন লোভী বন্ধুৰ অদৃষ্ট

এদিনাখন নলে গলে লগা তিনি বন্ধু একেলগে বাটে বাটে ঘূৰি ফুৰিছিল। হঠাৎ সিহঁতে বাটত এটা টকাৰ মোনা পালে। মোনাটোত বহুত টকা আছিল। সেইখিনি টকা পাই, সিহঁত আনন্দত আত্মহাৰা হৈ গৈছিল। সেয়া আছিল সিহঁতৰ কাৰণে এক সৌভাগ্য। সিহঁতে সেই টকাখিনি সিহঁতৰ মাজত সমানে ভাগ কৰিবলৈ সিদ্ধান্ত ল'লে।

এইদৰে বাটেদি গৈ থাকোতে সিহঁতৰ বৰ ভোক লাগিল। তাৰে মাজৰ এজনে কিছু খোৱা বস্তু কিনি আনিবলৈ গ'ল। দোকানৰ পৰা কিছু খোৱা বস্তু কিনি, তাৰপৰা নিজৰ ভাগৰখিনি খাই, বাকী থকা খাদ্যত সি বিষ মিহলাই দিলে। তাৰ অভিসন্ধি আছিল যে এই বিষ মিহলোৱা খাদ্য খাই বাকী দুজন বন্ধু মৰি থাকিব আৰু টকাৰ মোনা লৈ সি পলাই যাব।

ইফালে বাকী দুজন বন্ধুৱেও ষড়যন্ত্ৰ কৰিলে যে খোৱা বস্তু আনিবলৈ যোৱা বন্ধুজন আহিলেই তাক মাৰি পেলাব আৰু টকাখিনি দুজনে ভগাই ল'ব।

যেতিয়া বন্ধুজন খোৱা বস্তু লৈ উপস্থিত হ'ল, তেতিয়া দুজন বন্ধুৱে সেইজনক মূৰত টাঙোন কেইটামান মাৰি হত্যা কৰিলে, আৰু বন্ধুৱে অনা খাদ্য বস্তু খিনি খালে। এই খাদ্যত যে বিষ মিহলাই আনিছিল সেইকথা এই দুজনে জনা নাছিল। বিষক্ৰিয়াত এই দুজন বন্ধুও মৰি থাকিল।

তিনিওজন বন্ধু বাটৰ দাঁতিত পৰি মৰি থাকিল। এনেতে এজন বাটৰুৱাই সেইফালেদি যাওঁতে মৰাশ তিনিটাৰ কাযত টকাৰ মোনাটো পাই লৈ গুচি গ'ল।

**নীতিশিক্ষা ঃ লোভেই ধ্বংসৰ মূল কাৰণ।**

ক) বন্ধুতিনিজনে পোৱা মোনাটোত কি আছিল?

i) কাপোৰ / ii) টকা / iii) খোৱাবস্তু / iv) বিষ

খ) খোৱাবস্তু আনিবলৈ কোন গৈছিল?

i) তিনিজন বন্ধু / ii) দুজন বন্ধু / iii) এজন বন্ধু / iv) বাটৰুৱা

গ) টকাৰ মোনাটো কোনে পালে?

i) এজন বন্ধুৱে/ ii) দুজন বন্ধুৱে / iii) দোকানীয়ে / iv) বাটৰুৱাই

ঘ) তিনিজন বন্ধুৱে টকাৰ মোনাটো ক'ত পাইছিল?

i) ঘৰত / ii) বাটত / iii) ঘাটত / iv) দোকানত

ঙ) বিপৰীত শব্দ লিখা--- সৌভাগ্য

i) কুভাগ্য / ii) দুৰ্ভাগ্য / iii) দুভাগ্য / iv) অভাগ্য

www.careerindia.com

CAREERINDIA

নাইবা,

আ) তলত দিয়া আদৰ্শমূলক ৰচনাংশ পঢ়ি প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰ বাছি উলিয়াই লিখা- ( যিকোনো ৪টা) 1x4=4

**ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ইয়াৰ আৱশ্যকতা**

ছাত্ৰ-ছাত্ৰীসকলৰ বাবে নিয়মানুৱৰ্তিতাৰ প্ৰয়োজন আটাইতকৈ বেছি। সোনকালে শুই উঠিব নোৱাৰিলে ঘৰত কৰি নিবলগীয়া কামখিনি সম্পূৰ্ণকৈ কৰি উঠি সেইদিনাৰ পাঠ্য বিষয়ত মনোনিৱেশ কৰাটো সম্ভৱ নহয়। আন ফালেদি দিনৰ পাঠ দিনে অধ্যয়ন কৰিব নোৱাৰিলে, পাঠৰ সংখ্যা যেতিয়া বাঢ়ি যায়, ফলস্বৰূপে পৰীক্ষা ঘৰত গৈ প্ৰশ্নকাকত হাতত লৈ চকুৰেদি সৰিয়হ ফুল দেখিব লাগিব। বহুতো ছাত্ৰ-ছাত্ৰীয়ে আগৰেপৰা নিয়মীয়া অধ্যয়নত ৰত নহৈ পৰীক্ষাৰ সময়ত টোপনি খতি কৰি, কঠোৰ পৰিশ্ৰম কৰি পঢ়ে। তাৰ ফলত স্বাস্থ্যহানি হয়। এনেভাৱে পৰীক্ষাৰ বাবে সাজু হ'বলৈ যাওঁতে খোৱা-বোৱাতো অনিয়মিত হোৱা যায়; ফলত স্বাস্থ্যহানি হয়। এনে ছাত্ৰ-ছাত্ৰীয়ে জীৱনত উদ্‌গতি লাভ কৰিব নোৱাৰে। ছাত্ৰ-ছাত্ৰীসকলে এই কথা মনত ৰখা উচিত যে নিয়মানুৱৰ্তিতা উদ্‌গতি লাভৰ প্ৰথম ঢাপ; আলস্য আৰু দীৰ্ঘসূত্ৰিতা তাৰ প্ৰধান শত্ৰু।

গতিকে অধ্যয়নত, খোৱা-শোৱা, ফুৰা-চকা আদি সকলো ক্ষেত্ৰতে ছাত্ৰ-ছাত্ৰীসকলে নিয়মানুৱৰ্তিতা মানি চলা একান্ত কৰ্তব্য। নিয়মানুৱৰ্তিতা আহৰণ কৰাটোও শিক্ষাৰে এটা অংগ। বৰ্তমান জগতত জীৱনৰ প্ৰতি খোজতে নিয়মানুৱৰ্তিতাৰ প্ৰয়োজন। ব্যয়ৰ ক্ষেত্ৰতো ই প্ৰযোজ্য। ফুৰা-চকাতো প্ৰযোজ্য। মুক্ত আকাশৰ তলত, মুক্ত বায়ুৰ মাজত ফুৰ-চকা কৰিলে স্বাস্থ্য ভাল হয়। সেয়ে নিয়মীয়া হ'ব লাগে; কাৰণ অনাই-বনাই ঘূৰি ফুৰাকে ফুৰা-চকা নুবুজায়।

খেল-ধেমালিতো নিয়মীয়া হ'লে স্বাস্থ্য বৰ্দ্ধন হয়। ইয়াতো নিয়মানুৱৰ্তিতাৰ একান্ত প্ৰয়োজন। নিয়মীয়া ব্যায়ামে মনলৈ আনন্দও আনে, স্বাস্থ্যও আনে। ফুটবল খেলত নিয়মানুৱৰ্তিতাৰ একান্ত প্ৰয়োজন। এঘাৰজন খেলুৱৈৰ সকলোটিয়ে পৰস্পৰ বুজা-পৰাৰ মাজত খেলিলে জয়লাভ অনিবাৰ্য। তাকে নকৰি প্ৰত্যেকেই নিজা নিজাকৈ গ'ল দিবলৈ বিচাৰিলে খেলুৱৈসকলৰ মাজত সংহতিৰ অভাৱ হ'ব; ফলত পৰাজয় নিশ্চিত।

ক) দফাটোৰ শিৰোনাম কি হোৱা উচিত—

i) নিয়মানুবৰ্তিতা / ii) শৃঙ্খলাবোধ / iii) কৰ্তব্য বোধ / iv) অধ্যৱসায়

খ) নিয়মানুৱৰ্ততা উদ্‌গতি লাভৰ ___________ ঢাপ।

i) প্ৰথম / ii) দ্বিতীয় / iii) তৃতীয় / iv) চতুৰ্থ

গ) কোনবিধ খেলত এঘাৰজন খেলুৱৈয়ে ভাগ লয়---

i) টেবুল টেনিছ / ii) ফুটবল / iii) কাবাদি / iv) বেডমিন্টন

ঘ) খেতিয়কে সময়মতে কঁঠীয়া নাপাৰিলে কি হয়?

i) শস্য উৎপন্ন নহয় / ii) বৰষুণ নিদিয়ে / iii) খৰাং হয় / iv) বাৰিষা হয়

ঙ) নিয়মীয়া ব্যায়ামে মনলৈ কি আনে ?

i) দুখ / ii) কষ্ট / iii) আনন্দ / iv) এলাহ

৪.। ফকৰাসমূহৰ অৰ্থ বাছি উলিয়াই লিখা— 1x4=4

www.careerindia.com

CAREERINDIA

ক) ফিৰিঙতিৰ পৰা খাণ্ডৱ দাহ ----

i) যিকোনো প্ৰকাৰে আনৰ অপকাৰ কৰা

ii) অহংকাৰৰ বাবে তললৈ নমা

iii) সামান্য ঘটনাৰ পৰা বিৰাট ধ্বংস কাৰ্য হ'ব পাৰে।

iv) বিপদত পৰিলে সহায় নাপায়

খ) টেঙা আম এবাৰহে বেচিব পাৰি-----

i) বেয়া খাদ্যই অপকাৰ কৰে।

ii) কোনো মানুহক এবাৰহে ঠগিব পাৰি।

iii) মূল্যহীন কথা কোৱা উচিত নহয়।

iv) সোনকালে ব্যৱহাৰ নকৰিলে খাদ্য নষ্ট হয়।

গ) হলা গছ দেখি বাগী কুঠাৰ মাৰে-----

i) দুৰ্বলীক বেছি দুৰ্বল কৰিবলৈ আঘাত কৰা।

ii) আনৰ পৰা সহায় লোৱা।

iii) সৌন্দৰ্যৰ বাবে আনৰ বৈৰী হোৱা।

iv) বিপদ সম্পদ সকলোৰে ভাগ্যত ঘটে।

ঘ) উমৈহতীয়া শ বাহী শ হয়----

i) সামান্য কথাই পৰিবেশ নষ্ট কৰে ।

ii) সহায় কৰাজনক সকলোৱে অপবাদ দিয়ে।

iii) আনৰ লগত বিপদত পৰা।

iv) উমৈহতীয়া কামবোৰ সময়মতে হৈ নুঠে।

৫। সঠিক খণ্ডবাক্য ব্যৱহাৰ কৰি খালী ঠাই পূৰণ কৰা । 1x4=4

ক) তই ____________ পৰাই পুথিভঁৰালটো নষ্ট হ'ল।

i) হাত এৰাৰ / ii) মুখ লাগাৰ / iii) চকুৰ কুটাৰ / iv) হাত টানৰ

খ) তোমাৰ খবৰ পাব বুলি বহুদিন ________________।

i) পানী কৰিলে / ii) মনে ধৰিলে / iii)বাট চালে / iv) পেট পালে

গ) যাঁওতে দেউতাৰক ____________ যাবি।

i)মাটি কৰি / ii) মূৰ পাতি / iii) মুখ সলাই / iv) মাত লগাই

ঘ) তেখেতৰ নিচিনা _____________মানুহ দেখা নাই ।

www.careerindia.com

CAREERINDIA

i) বুকু ডাঠ / ii) গা টেঙা / iii) কাণ বাগৰা / iv) হাড় পেলা

৬। সমোচ্চাৰিত শব্দসমূহৰ শুদ্ধ অৰ্থ বাছি উলিয়াই লিখা— 1x3=3

ক) আভৰণ = i) বাক্য / ii) ঢাকনি / iii) ভূষণ / iv) শেষ

খ) কৰী = i) শৰ / ii) হাতী / iii) মিছা / iv) ছায়া

গ) অন্ন = i) খাদ্য / ii) কথিত / iii) চাপৰ / iv) বনুৱা

৭। বিপৰীত শব্দবোৰৰ শুদ্ধ অৰ্থ বাছি উলিয়াই লিখা--- 1x3=3

ক) নিৰাপদ = i) কুপদ / ii) বিপদজনক / iii) ব্যয় / iv) নিৰাশা

খ) গৰিষ্ঠ = i) কনিষ্ঠ / ii) ঘনিষ্ঠ / iii) লঘিষ্ঠ / iv) বলিষ্ঠ

গ) জাগৰণ = i) সন্ন্যাসী / ii) অপৰিমিত / iii) নিদ্ৰা / iv) বিসৰ্জন

৮। এটা শব্দত প্ৰকাশ কৰা (শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখা)- 1x4=4

ক) যাক সহজে বুজা যায় = i) বোধগম্য / ii) গুৰুপাকী / iii) সহজ বোধ্য / iv) সোদৰ

খ) আনৰ দোষ দেখা স্বভাৱ = i) লোকনিন্দা / ii) পথভ্ৰষ্ট / iii) নাস্তিক / iv) অসূয়া

গ) যি আনৰ ফালে মন দিয়ে = i) অবিবেচক / ii) অন্যমনস্ক / iii) যোগভ্ৰষ্ট / iv) খৰিছা

ঘ) জন্তুৰ নিচিনা = i) জান্তৱ / ii) আনজ / iii) স্বাগত / iv) অবধ্য

www.careerindia.com

**SECTION—C**

৯। প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰ বাছি উলিয়াই লিখা--- ( যিকোনো ৫টা ) 1x5=5

ক) আনন্দৰাম বৰুৱাৰ জীৱনৰ মূল মন্ত্ৰ কি আছিল?

i) মুক্তি / ii) অধ্যয়ন/ iii) কৰ্ম /iv) অহিংসা

খ) আনন্দৰাম বৰুৱাই কোনখন গ্ৰন্থত কামৰূপৰ ভাওনাৰ কথা উল্লেখ কৰিছে?

i) ভক্তি বিবেক / ii) মহাবীৰ চৰিত / iii) কথাগুৰু চৰিত / iv) ধৰ্মপদ

গ) আনন্দৰাম বৰুৱাই নিজকে কাৰ ভ্ৰাতৃ বুলি পৰিচয় দি হে সন্তোষ লাভ কৰিছিল?

i) জানকীৰামৰ /ii) গৰ্গৰামৰ / iii) সুকুমাৰ বৰকাথৰ / iv) বনমালীদেৱৰ

ঘ) সম্বলপুৰ ভাৰতৰ কোনখন ৰাজ্যত অৱস্থিত?

i) অসম / ii) বিহাৰ / iii) উৰিষ্যা / iv) কেৰেলা

ঙ) লক্ষ্মীনাথ বেজবৰুৱাই কোনখন আলোচনী সম্পাদনা কৰিছিল?

i) বাঁহী / ii) আৱাহন / iii) নিৰ্মালি / iv) চানেকি

চ) লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা ধেমেলীয়া নাট এখনৰ নাম হ'ল---

i) বেলিমাৰ / ii) লিতিকাই / iii) জোনবিৰি / iv) সুৰভি

১০। প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰ বাছি উলিয়াই লিখা--- ( যিকোনো ৫টা ) 1x5=5

ক) মহাপুৰুষ মাধৱদেৱৰ জীৱনৰ কীৰ্তিস্তম্ভ _______________।

i) বৰগীত / ii) ভটিমা / iii) নামঘোষা / iv) অংকীয়া নাট

খ) মাধৱদেৱৰ জন্ম ক'ত হৈছিল?

i) বৰদোৱা / ii) মধুপুৰ / iii) মাজুলী / iv) নাৰায়ণপুৰ

গ) মাধৱদেৱে কি ধৰ্ম প্ৰচাৰ কৰিছিল?

i) বৈষ্ণৱ ধৰ্ম / ii) প্ৰাক বৈষ্ণৱ ধৰ্ম / iii) শাক্ত ধৰ্ম / iv) নৱ বৈষ্ণৱ ধৰ্ম

ঘ) শব্দাৰ্থ লিখা---মূৰুখ

i) ত্যাগ / ii) অধিকাৰী / iii) মূৰ্খ / iv) ৰাতি

ঙ) মাধৱদেৱৰ দ্বাৰা ৰচিত নাট----

i) ভটিমা / ii) ভূমি লেটোৱা / iii) নামঘোষা / iv) ৰাজসূয় কাব্য

চ) মাধৱদেৱৰ আনুষ্ঠানিক শিক্ষাগুৰু কোন আছিল?

i) অনন্ত কন্দলি / ii) মাধৱ কন্দলি / iii) ৰাজেন্দ্ৰ অধ্যাপক / iv) মহেন্দ্ৰ কন্দলি

---

www.careerindia.com